# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-OCT-2026
**Time :** 1910 PM

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। আন্তৰ্জাতিক প্ৰত্যাহ্বান সমাধান কৰিবলৈ দেশৰ যুৱচামৰ প্ৰতিভা আছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। এন চি বিৰ গুৱাহাটী মাণ্ডলিক গোটে আজি প্ৰায় ৪৩ কোটি টকা বজাৰমূল্যৰ অবৈধ মেথা-মফেটামাইন আৰু ডব্লিউ ওৱাই টেবলেট জব্দ কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তামিলনাডুত ১৩ হাজাৰ কোটি টকাতকৈও অধিক ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এলানি উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা আৰু প্ৰকল্প উদ্বোধন কৰে।

৪। নেপালৰ বুধি গণ্ডকী নদীৰ আকস্মিক বানত আবদ্ধ হৈ পৰা প্ৰায় ৫০ গৰাকী লোকক উদ্ধাৰ কৰা হৈছে।

**আৰু**

৫। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ইণ্ডোৰৰ হলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈছে।

০০০০০

শেহতীয়া আন্তৰ্জাতিক প্ৰত্যাহ্বানসমূহ সমাধান কৰিবলৈ দেশৰ যুৱচামৰ প্ৰতিভা আছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। তেওঁ কয় যে বিশ্বই বিভিন্ন ক্ষেত্ৰত আহি পৰা উদ্বিগ্নতাসমূহ আঁতৰ কৰিবলৈ সমাধানৰ পথ বিচাৰিছে। চেন্নাইৰ জয়গোপাল গাৰোডিয়া হিন্দু বিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপনত অংশগ্ৰহণ কৰি তেওঁ এই কথা প্ৰকাশ কৰে। বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ যুৱচামে বিশেষ ভূমিকা পালন কৰে বুলিও তেওঁ মন্তব্য কৰে। দেশত সম্প্ৰতি যুৱচামৰ বাবে প্ৰচুৰ সুযোগ মুকলি হোৱা বুলি উল্লেখ কৰি তেওঁ যুৱচামক তেওঁলোকৰ সম্ভাৱনাৰ সদ্ব্যৱহাৰ কৰি ৰাষ্ট্ৰৰ বিকাশত অৰিহনা যোগাবলৈ আহ্বান জনায়। যুৱচামে বিকশাই তোলা সমাধানৰ পথ তথা উদ্ভাৱনী ধাৰণাই দেশৰ লগতে সমগ্ৰ বিশ্বৰ ভৱিষ্যতৰ পথ মুকলি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। সমন্বিত প্ৰচেষ্টাৰ জৰিয়তে দেশৰ অভিলাষ পূৰণ হ'ব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে আস্থা প্ৰকাশ কৰে। নিৰ্মাণ খণ্ডত দেশৰ প্ৰগতিৰ ওপৰত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে এই খণ্ডৰ সম্প্ৰসাৰণে যুৱচামৰ বাবে প্ৰত্যক্ষ তথা পৰোক্ষ নিয়োগৰ সুবিধাৰ সৃষ্টি কৰিছে। দেশৰ প্ৰতিৰক্ষা খণ্ডৰ ৰপ্তানি ৫০ গুণ বৃদ্ধি হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে অভিযান্ত্ৰিক খণ্ডৰ ৰপ্তানিয়েও নতুন শিখৰ স্পৰ্শ কৰিছে। ভাৰত বিশ্বৰ দ্বিতীয় বৃহৎ মোবাইল ফোন নিৰ্মাতা দেশ হিচাপে পৰিগণিত হোৱা বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে ২০১৪ চনৰ পৰা বৈদ্যুতিক সামগ্ৰীৰ ৰপ্তানি ১১ গুণ বৃদ্ধি হৈছে। মেট্ৰ' ৰেল সেৱাৰ সম্প্ৰসাৰণৰ ওপৰত আলোকপাত কৰি তেওঁ কয় যে ২০১৪ চনত দেশত কেৱল পাঁচখন মহানগৰত মেট্ৰ' সেৱাৰ ব্যৱস্থা থকাৰ পৰিৱৰ্তে সম্প্ৰতি ২৫খন মহানগৰ এই সেৱাৰ অধীনত সামৰি লোৱা হৈছে। তামিলনাডুৰ প্ৰগতিৰ প্ৰসঙ্গ উত্থাপন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰ সলনি হ'লেও ৰাজ্যসমূহৰ উন্নয়ন আৰু জনকল্যাণক সৰ্বাধিক অগ্ৰাধিকাৰ দিয়াৰ সংকল্প অটুট থাকিব। ৰাজ্যখনৰ প্ৰগতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী চি যোচেফ বিজয়ৰ সৈতে সমন্বয়েৰে কাম কৰাৰ তেওঁ আগ্ৰহ প্ৰকাশ কৰে। এই অনুষ্ঠানত শ্ৰীমোদীয়ে বিশ্ব হিন্দু বিদ্যা কেন্দ্ৰই ২৫ বছৰ সম্পূৰ্ণ কৰা উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

মাদকদ্ৰব্য নিয়ন্ত্ৰণ সংস্থা চমুকৈ এন চি বিৰ গুৱাহাটী মাণ্ডলিক গোটে প্ৰায় ৪৩ কোটি টকা বজাৰমূল্যৰ ৫৩ কিলোগ্ৰাম অবৈধ মেথামফেটামাইন আৰু ডব্লিউ ওৱাই টেবলেট জব্দ কৰে। এই অভিযান কালত দুজন ড্ৰাগছ

সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। এন চি বিয়ে প্ৰকাশ কৰা অনুসৰি জব্দ হোৱা মাদক দ্ৰব্যখিনি ম্যানমাৰৰ পৰা আহিছিল। সদ্যহতে মাদক দ্ৰব্যৰ আন্তঃৰাষ্ট্ৰীয় তথা স্থানীয় সৰবৰাহকাৰীকে ধৰি সমগ্ৰ নেটৱৰ্কৰ সকলো পক্ষক চিনাক্ত কৰাৰ বাবে অনুসন্ধান অব্যাহত আছে। মাদক দ্ৰব্য সৰবৰাহৰ প্ৰত্যাহ্বানসমূহৰ ওপৰত আলোকপাত কৰি এন চি বিয়ে কয় যে বিধি বলবৎকাৰী সঞ্চালকালয়, ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা, ৰাজহ চোৰাংচোৱা সঞ্চালকালয়, শুল্ক বিভাগ, সশস্ত্ৰ সীমা বল, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, সীমান্ত সুৰক্ষা বাহিনী, অসম ৰাইফলছ, মাদক দ্ৰব্যবিৰোধী কাৰ্যগোট তথা ৰাজ্যিক আৰক্ষী বাহিনীসমূহৰ সৈতে সহযোগিতা অব্যাহত ৰখা হৈছে। এন চি বিয়ে মাদক দ্ৰব্যমুক্ত ভাৰত গঢ়ি তোলাৰ ৰাষ্ট্ৰীয় সংকল্পৰ অংশ হিচাপে এই ক্ষেত্ৰত সকলো যোগান শৃংখলৰ প্ৰতিটো শুংসূত্ৰ ধৰা পেলোৱাৰ প্ৰতিশ্ৰুতি দোহাৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চেন্নাইৰ ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান মাদ্ৰাছত অনুষ্ঠিত এটা বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। শ্ৰীমোদীয়ে তামিলনাডুৰ বিভিন্ন প্ৰান্তত ১৩ হাজাৰ কোটি টকাতকৈও অধিক ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এলানি উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কিছুসংখ্যক প্ৰকল্প উদ্বোধনো কৰে। এই প্ৰকল্পসমূহে পেট্ৰ'লিয়াম আৰু বিজ্ঞান গৱেষণা, বন্দৰ আন্তঃগাঁথনি তথা পথ আৰু ৰে'ল পৰিবহনৰ ক্ষেত্ৰসমূহ সামৰি লৈছে। এই কাৰ্যসূচীত তামিলনাডুৰ মুখ্যমন্ত্ৰী চি যোচেফ বিজয়ো উপস্থিত থাকে। অমৃত ভাৰত ষ্টেচন যোজনাৰ অধীনত কেইবাটাও ৰে'ল ষ্টেচনৰ বিকাশ, চেন্নাই, কামাৰাজৰ আৰু ভি অ' চিদাম্বৰম বন্দৰত কেইবাটাও প্ৰকল্প তথা প্ৰায় ৩ হাজাৰ ৭০০ কোটি টকা ব্যয়সাপেক্ষে ৰাষ্ট্ৰীয় ঘাইপথৰ কাম-কাজ কৰাৰো লক্ষ্য লোৱা হৈছে।

অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানক ঐতিহাসিক আখ্যা দিয়ে। তেওঁ কয় যে এই পদক্ষেপসমূহৰ জৰিয়তে ৰাজ্যখনৰ যুৱচামৰ বাবে নিয়োগৰ সুবিধা সৃষ্টি হোৱাৰ উপৰি বাণিজ্য আৰু উদ্যোগ খণ্ডৰ বিকাশ ত্বৰান্বিত হোৱাৰ লগতে সংযোগ ব্যৱস্থা উন্নত হ'ব। শ্ৰীমোদীয়ে কয় যে এই প্ৰকল্পসমূহে দৈনিক যাতায়াত ব্যৱস্থা সুচল কৰি তোলাৰ উপৰি ৰাজ্যখনৰ অৰ্থনৈতিক প্ৰগতি ত্বৰান্বিত কৰিব।

তামিলনাডুৰ পূৰ্বৰ মুখ্যমন্ত্ৰী এম কৰুণানিধি আৰু জে জয়াললিতাৰ সৈতে হোৱা তেওঁৰ মত-বিনিময়ৰ বিষয়ে সুঁৱৰি শ্ৰীমোদীয়ে কয় যে তেওঁ নিজৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যকালত এম কে ষ্টেলিন, ইৰাপ্পাৰী কে পালানিস্বামী, অ' পন্নিৰ ছেলভমকে ধৰি ৰাজ্যখনৰ কেইবাগৰাকীও প্ৰাক্তন মুখ্যমন্ত্ৰীৰ সৈতে কাম কৰিছে। চৰকাৰ সলনি হ'লেও ৰাজ্যখনৰ বিকাশ তথা ইয়াৰ জনসাধাৰণৰ কল্যাণৰ প্ৰতি তেওঁৰ সংকল্প অটুট আছে বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ মুখ্যমন্ত্ৰী চি যোচেফ বিজয়ৰ সৈতে সহযোগিতাৰ যাত্ৰা অব্যাহত ৰাখিব বুলি প্ৰকাশ কৰে।

জনসেৱাত তেওঁৰ ২৫ বছৰীয়া যাত্ৰাৰ ওপৰত আলোকপাত কৰি তেওঁ কয় যে প্ৰধানমন্ত্ৰী হোৱাৰ পূৰ্বে তেওঁ ২০০১ চনৰ অক্টোবৰত গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। আধুনিক আন্তঃগাঁথনি, বৈজ্ঞানিক সাফল্য তথা ঐশ্বৰ্যশালী সাংস্কৃতিক ঐতিহ্যৰ জৰিয়তে দেশৰ প্ৰগতি ত্বৰান্বিত হৈছে বুলি তেওঁ মত প্ৰকাশ কৰে। পৰম্পৰা আৰু আধুনিক প্ৰগতিৰ সহাৱস্থানৰ প্ৰসঙ্গৰে তেওঁ তামিলনাডুৰ মন্দিৰ, বৈজ্ঞানিক প্ৰতিষ্ঠান তথা মেট্ৰ' ৰে'ল নেটৱৰ্কৰ উদাহৰণ দিয়ে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ জনসাধাৰণলৈ নৱৰাত্ৰিৰ শুভেচ্ছা জ্ঞাপন কৰে।

শ্ৰীমোদীয়ে ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান মাদ্ৰাছৰ সুধা গোপালকৃষ্ণণ ব্ৰেইন কেন্দ্ৰ দেশবাসীলৈ উচৰ্গা কৰে। ইয়াৰ পূৰ্বে শ্ৰীমোদীয়ে প্ৰায় ৪ হাজাৰ ৯০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত চেন্নাই মেট্ৰ' ৰে'ল প্ৰকল্পৰ পুনামল্লী ৱাৰাপালানি অংশৰ দ্বিতীয় পৰ্যায় উদ্বোধন কৰে। প্ৰধানমন্ত্ৰী আৰু ৰাজ্যখনৰ মুখ্যমন্ত্ৰীগৰাকীয়ে যুটীয়াভাৱে নতুন মেট্ৰ' সেৱা পতাকা জোকাৰি মুকলি কৰাৰ লগতে ৰে'ল ভ্ৰমণৰ অভিজ্ঞতা লয়।

০০০০০

নেপালৰ বুধি গণ্ডকী নদীত অহা আকস্মিক বানে গোৰ্খা জিলাৰ বহু ঘৰ তথা দলঙৰ লগতে জলবিদ্যুৎ প্ৰকল্প উটুৱাই নিয়াৰ পাছত প্ৰায় ৫০ গৰাকী লোকক উদ্ধাৰ কৰা হৈছে। আজি পুৱতি নিশা প্ৰায় ৪ বজাৰ আশে পাশে অহা এই বানে ছুম্নুব্ৰী অঞ্চলৰ বহু বাসগৃহ উটুৱাই নিয়ে। ১০গৰাকী লোক এতিয়াও সন্ধানহীন হৈ আছে। অৱশ্যে হতাহতৰ কোনো তথ্য এতিয়াও প্ৰকাশ হোৱা নাই। উদ্ধাৰ তথা অনুসন্ধান অভিযানৰ বাবে নেপাল সেনাবাহিনীৰ বিষয়া তথা অন্যান্য নিৰাপত্তা সংস্থাসমূহক নিয়োগ কৰা হৈছে। চাৰিখন হেলিকপ্তাৰ আৰু কৰ্মবাহিনীৰ সহায়ত উদ্ধাৰ কাৰ্য অব্যাহত আছে। ইতিমধ্যে

নেপৰীয়া জনসাধাৰণক নিৰাপদ স্থানলৈ স্থানান্তৰ হোৱাৰ বাবে কৰ্তৃপক্ষই অনুৰোধ জনাইছে। প্ৰাৰম্ভিক তথ্য অনুসৰি প্ৰায় ৩৬টা বাসগৃহ এই বানে উটুৱাই লৈ গৈছে। তদুপৰি ন্যাকছেট আৰু ফিল্ম বজাৰ সংযোগী দলংখনো বানত বিধবস্ত হৈছে। এই আকস্মিক বানৰ উৎপত্তিস্থল এতিয়াও জানিব পৰা হোৱা নাই। অঞ্চলটোত থকা পৰ্যটকসকল নিৰাপদে আছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

সমাগত দুৰ্গা পূজা উপলক্ষে কালি কলকাতাৰ ইডেন গাৰ্ডেনছত দৰ্শনীয় অনুষ্ঠান আয়োজিত হয়। মহালয়া উপলক্ষে পশ্চিম বংগ চৰকাৰে উমা আগমণি শীৰ্ষক এই অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানৰ জৰিয়তে দুৰ্গা পূজাৰ আৰম্ভণি সূচিত হৈছে। দেৱী পক্ষৰ আৰম্ভণিৰ লগে লগে কলকাতাত উৎসৱৰ বতৰে বিৰাজ কৰিছে। ঢাকৰ শব্দেৰে মহানগৰখন মুখৰিত হৈ উঠিছে। মুখ্যমন্ত্ৰী সুভেন্দু অধিকাৰীয়ে এই অনুষ্ঠানৰ জৰিয়তে দুৰ্গা পূজাৰ উৎসৱমুখৰ পৰিবেশৰ শুভাৰম্ভণি কৰে। এই অনুষ্ঠানত নৃত্য, সংগীত তথা ড্ৰোণৰ বিশেষ প্ৰদৰ্শন তথা আতচবাজীৰ সমাহাৰ পৰিলক্ষিত হয়। ৩ হাজাৰ গৰাকী লোকে একেলগে ঢাক বজাই গিনিজ বুকত নাম অন্তৰ্ভুক্ত কৰিছে। কলকাতাৰ আকাশত ড্ৰোণৰ সহায়েৰে দুৰ্গা দেৱীৰ প্ৰতিচ্ছবি সৃষ্টি কৰা হয়। পশ্চিম বংগৰ জিলাসমূহৰ সাংস্কৃতিক ঐতিহ্য প্ৰতিফলিত কৰি বিভিন্ন বিথীকাত বিশেষ প্ৰদৰ্শন কৰা হয়।

০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ইণ্ডোৰৰ হলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। খেলখনত টছত জয়লাভ কৰি ৱেষ্ট ইণ্ডিজে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছে। বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৩ অভাৰত এটা উইকেট হেৰুৱাই ২৯ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

০০০০০

ইজিপ্তৰ কাইৰোত অনুষ্ঠিত বিশ্ব শ্বুটিং প্ৰতিযোগিতাত ভাৰতৰ উদ্ধবীৰ সিদ্ধুৱে পুৰুষৰ ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত সোণৰ পদক দখল কৰে। ২৪ বছৰীয়া শ্বুটাৰগৰাকীয়ে ২৪০ দশমিক ৬ পইণ্ট সংগ্ৰহ কৰি জাৰ্মানীৰ ক্ৰিষ্টিয়ান ৰাইট্‌জক পইণ্ট ফাইভ ব্যৱধানত পৰাস্ত কৰে। জাৰ্মানীৰ খেলুৱৈগৰাকীয়ে ইতিপূৰ্বে অলিম্পিকৰ কেইবাটাও পদক জয় কৰিছে। অহা ১৬ অক্টোবৰলৈকে চলিবলগীয়া এই প্ৰতিযোগিতাত ভাৰতৰ ২৪জনীয়া দলটোৰ ভিতৰত অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ী স্বপ্নীল সুৰেশ কুশাল আৰু সৰবজ্যোৎ সিঙো আছে।

০০০০০

সমাপ্ত